# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভূটান ভ্ৰমণ সামৰি আজি বিয়লি নতুন দিল্লীলৈ উভতি আহে।

২। আসন্ন লোকসভা নিৰ্বাচনত ১৮ৰ পৰা ১৯ বছৰ বয়সৰ প্ৰায় ১ কোটি ৮০ লাখ যুৱক-যুৱতীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব।

৩। বিদেশ মন্ত্ৰালয়ে ভাৰতৰ অভ্যন্তৰীণ বিষয়ক লৈ জাৰ্মানীৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ গৰাকীয়ে কৰা মন্তব্য সন্দৰ্ভত নতুন দিল্লীত থকা দেশখনৰ মিছনৰ উপ-মুৰব্বী গৰাকীক তলব কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

৪। আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে ৰাছিয়াৰ সন্ত্ৰাসবাদী আক্ৰমণত গৰিহণা দিছে।

*আৰু*

৫। ডেলহি কেপিটেল্‌ছে চণ্ডীগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক বিজয়ৰ বাবে ১৭৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভূটান ভ্ৰমণ সামৰি আজি বিয়লি নতুন দিল্লীলৈ উভতি আহে। ভূটানৰ ৰজা জিগমে খেছৰ নামগিয়াল ৱাংচুক আৰু প্ৰধানমন্ত্ৰীয়ে বিশেষ সদিচ্ছাৰ চিন হিচাপে বিমান বন্দৰত শ্ৰী মোদীক বিদায় সম্ভাষণ জনায়।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এই বিশেষ আতিথ্য লাভ কৰি তেওঁ গৌৰৱবোধ কৰিছে। শ্ৰী মোদীয়ে তেওঁৰ ভূটান ভ্ৰমণক অতিকে বিশেষ বুলি আখ্যা দিছে। কিয়নো, এই ভ্ৰমণকালত তেওঁ দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেক সাক্ষাৎ কৰাৰ সুযোগ লাভ কৰিছে। তেওঁ কয় যে তেওঁলোকৰ সৈতে হোৱা দ্বিপাক্ষিক আলোচনাৰ পৰা ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব। তেওঁ লগতে অৰ্ডাৰ অব্ দ্য ড্ৰুক গ্যাল্প সন্মানেৰে বিভূষিত কৰাৰ বাবে দেশখনৰ শলাগ লয়।

শ্ৰী মোদীয়ে ভূটানৰ জনসাধাৰণক তেওঁলোকৰ আতিথ্যৰ বাবে অভিনন্দন জনাই কয় যে ভাৰত সদায় দেশখনৰ নিৰ্ভৰযোগ্য বন্ধু আৰু সহযোগী হৈ থাকিব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী টবগে আজি পুৰা ভাৰতৰ সাহায্যেৰে থিম্ফুত নিৰ্মাণ কৰা অত্যাধুনিক গ্যালট্‌সুৱেন জেটচুন পেমা মাতৃ আৰু শিশু চিকিৎসালয় উদ্বোধন কৰে। ১৫০ খন বিচনাযুক্ত এই অত্যাধুনিক চিকিৎসালয়খনে ভূটানত গুণগত মাতৃ তথা শিশু স্বাস্থ্য সেৱা আগবঢ়াব।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনত ১৮ৰ পৰা ১৯ বছৰ বয়সৰ প্ৰায় ১ কোটি ৮০ লাখ যুৱক-যুৱতীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱক-যুৱতীসকলক উৎসাহিত কৰাৰ বাবে সামাজিক মাধ্যমযোগে I Vote 4 Sure-ৰ লেখীয়া অভিযান অব্যাহত আছে। নিৰ্বাচন আয়োগে কৈছে যে এইবাৰৰ লোকসভা নিৰ্বাচনত ২০ৰ পৰা ২৯ বছৰ বয়সৰ প্ৰায় ১৯ কোটি ৭৬ লাখ ভোটদাতাই ভোটদান কৰিব। ১৭ বছৰৰ ঊৰ্ধৰ লোকৰ পৰা ১৩ লাখ ৪০ হাজাৰৰো অধিক অগ্ৰিম আবেদন লাভ কৰা বুলি আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে নিৰ্বাচনত যুৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে শচীন তেণ্ডুলকাৰ আৰু ৰাজকুমাৰ ৰাওৰ দৰে নেচনেল আইকনসকলৰ সৈতে সহযোগিতাৰে কাম কৰি আছে।

0000000

বিদেশ মন্ত্ৰালয়ে ভাৰতৰ অভ্যন্তৰীণ বিষয়ক লৈ জাৰ্মানীৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ গৰাকীয়ে কৰা মন্তব্য সন্দৰ্ভত নতুন দিল্লীত থকা দেশখনৰ মিছনৰ উপ-মুৰব্বী গৰাকীক তলব কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। মন্ত্ৰালয়ে কয় যে ভাৰতে এনেধৰণৰ মন্তব্যক ন্যায়িক প্ৰক্ৰিয়াত হস্তক্ষেপ আৰু ভাৰতৰ ন্যায়পালিকাৰ স্বতন্ত্ৰতাৰ অৱমূল্যায়নৰ প্ৰয়াস বুলি গণ্য কৰে।

বিদেশ মন্ত্ৰালয়ে কৈছে যে ভাৰত আইন মানি চলা এখন শক্তিশালী গণতান্ত্ৰিক দেশ।

0000000

নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে চি ভিজিল নামৰ এটা উদ্ভাৱনীমূলক মোবাইল এপ্লিকেশ্বন ব্যৱহাৰ কৰি আহিছে। চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এই এপ্লিকেশ্বনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফুতভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপটীয়াকৈ ফটো বা ভিডিঅ'হে পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাদ বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে। যিকোনো এনড্ৰইদ মোবা্ইল বা স্মাৰ্ট ফোনত এই এপটো ডাউললোড কৰি জনসাধাৰণে সহজে ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে লগতে যিকোনো ধৰণৰ ৰাজনৈতিক অসাধু আচৰণ, ভোটাৰক প্ৰলোভিত কৰিবলৈ সামগ্ৰী প্ৰদান বা বিভিন্ন ধৰণে প্ৰৰোচিত কৰাৰ প্ৰমাণ এই এপযোগে প্ৰেৰণ কৰিব পাৰে। এই এপটোৰে জিলা নিয়ন্ত্ৰণ কক্ষ, নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচন পৰিচালনাৰ বাবে বহিঃক্ষেত্ৰত নিয়োজিত বিভিন্ন গোট যেনে- ফ্লাইং স্কোৱাদ, নিৰীক্ষণ দল আদিক তথ্য প্ৰেৰণ কৰে। জনসাধাৰণে ইয়াৰ বাবে এনে আইন উলংঘাকাৰী ঘটনাৰ ফটো বা ২ মিনিটৰ ভিডিঅ' এপযোগে আপলোড কৰি এনে অবাঞ্চিত ঘটনা ৰোধ কৰিব পাৰে। এই ক্ষেত্ৰত তথ্য প্ৰেৰণ কৰোঁতাগৰাকীৰ নাম পৰিচয় আদি গোপনে ৰখা হব বুলিও আয়োগে প্ৰতিশ্ৰুতি দিয়ে।

0000000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

00000000

আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে ১১৫ জনকৈ নিৰীহ লোকৰ প্ৰাণ নাশ হোৱা ৰাছিয়াৰ সন্ত্ৰাসবাদী আক্ৰমণত গৰিহণা দিছে।

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ’ গুটেৰেছে মস্কোৰ ক্ৰোকুছ চিটী হলত যোৱানিশা হোৱা আক্ৰমণক লৈ আশ্চৰ্য প্ৰকাশ কৰিছে আৰু ইয়াক কঠোৰ ভাষাৰে গৰিহণা দিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে সকলো দেশকে এই আক্ৰমণৰ বাবে দায়ী লোকসকলক কৰায়ত্ত কৰাৰ বাবে ৰুছ চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে সক্ৰিয়ভাৱে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মস্কো সংগীতানুষ্ঠানত হোৱা এই আক্ৰমণক সমালোচনা কৰিছে আৰু নিহত লোকসকলৰ পৰিয়ালৰ প্ৰতি সমবেদনা প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইউৰোপীয় সংঘ, ব্ৰিটেইন, ফ্ৰান্স, স্পেইন আৰু সংযুক্ত আৰৱ-আমিৰি ৰাষ্ট্ৰ ইউ এ ইও এই ঘটনাক লৈ আশ্চৰ্য প্ৰকাশ কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ’ই আক্ৰমণৰ বলি হোৱা লোক, তেওঁলোকৰ আপোনজন আৰু ৰাছিয়াৰ জনসাধাৰণৰ সৈতে সংহতি প্ৰকাশ কৰিছে। স্পেইনে মস্কোৰ আক্ৰমণক আশ্চৰ্যজনক বুলি অভিহিত কৰাৰ বিপৰীতে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিয়ে ইয়াক সন্ত্ৰাসবাদৰ ঘৃণনীয় কাৰ্য আখ্যা দিছে। শ্ৰীমতী মেলনিয়ে লগতে আক্ৰমণৰ বলি হোৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে। ইছলামিক ষ্টেট খুৰাছান আই এছ আই এছ কে নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। ৰাছিয়াই কৈছে যে এই ঘটনাৰ বাবে চাৰিজন সন্দেহযুক্ত বন্দুকধাৰীসহ ১১ জন লোকক আটক কৰা হৈছে। ৰাছিয়াৰ তদন্ত কমিটীয়ে কৈছে যে সেনাৰ পোছাক পৰিহিত বন্দুকধাৰীয়ে স্বয়ংক্ৰিয় অস্ত্ৰৰে চলোৱা এই আক্ৰমণত নিহত হোৱা লোকৰ সংখ্যা ১১৫ লৈ বৃদ্ধি পাইছে আৰু ১২০ জনৰো অধিক লোক আহত হৈছে। নিহত লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

0000000

দিল্লীৰ ৰাউজ এভিনিউ আদালতে আজি দিল্লী সুৰা নীতি কেলেংকাৰী সম্পৰ্কীয় ক’লাধন বৈধকৰণৰ গোচৰত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰা ভাৰত ৰাষ্ট্ৰ সমিতি বি আৰ এছৰ নেতা কে কবিতাৰ জিম্মাৰ ম্যাদ ২৬ মাৰ্চলৈ বৃদ্ধি কৰিছে। চি বি আইৰ বিশেষ ন্যায়াধীশ কাবেৰী বাৱেজাই জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত কবিতাক আজি আদালতত হাজিৰ কৰোৱাৰ সময়ত এইদৰে ৰায় দিয়ে। আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে আৰু ৫ দিনৰ বাবে কবিতাক সংস্থাটোৰ জিম্মাত লোৱাৰ বাবে অনুৰোধ জনাইছিল। উচ্চতম ন্যায়ালয়ে কবিতাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ আৰু বিচাৰ আদালতৰ দ্বাৰস্থ হোৱাৰ বাবে নিৰ্দেশ দিয়াৰ এদিন পাছতে ৰাউজ এভিনিউ আদালতে আজি এইদৰে ৰায় দিয়ে।

0000000

কংগ্ৰেছ বিধায়ক হিচাপে অযোগ্য ঘোষণা কৰা হিমাচল প্ৰদেশৰ ছগৰাকী প্ৰাক্তন বিধায়কে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ আৰু হিমাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰৰ উপস্থিতিত বিজেপিত যোগদান কৰে। এই প্ৰাক্তন বিধায়কসকলৰ ভিতৰত সুধীৰ শৰ্মা, ৰবি ঠাকুৰ, ইন্দৰ দত্ত লাখন পাল, দেৱেন্দ্ৰ ভুট্টো আৰু চৈতন্য শৰ্মা আছে।

হিমাচল প্ৰদেশৰ তিনিগৰাকী নিৰ্দলীয় বিধায়কেও আজি বিজেপিত যোগদান কৰে।

0000000

বিহাৰত কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী তথা লোকসভাৰ প্ৰাক্তন অধ্যক্ষ মীৰা কুমাৰে এইবাৰ লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ কথা ঘোষণা কৰে। সাংসদ শ্ৰী মতী কুমাৰে পাঁচবছৰীয়া কাৰ্যকালত কেইবাবাৰো সাসাৰাম সংসদীয় সমষ্টিক প্ৰতিনিধিত্ব কৰিছে। প্ৰাক্তন লোকসভাৰ অধ্যক্ষগৰাকীয়ে অফিচিয়েল ছ’চিয়েল মিডিয়া হেণ্ডেলত তেওঁৰ এই সিদ্ধান্তৰ কথা ঘোষণা কৰে। বিহাৰৰ বিৰোধী দলৰ গ্ৰেগু এলায়েন্সৰ আসন ভাগ-বতৰা আৰু আবণ্টনৰ বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰী মতী কুমাৰ বৰ্তমানৰ পৰিস্থিতিত সন্তুষ্ট হোৱা নাছিল বুলি জানিব পৰা গৈছে।

0000000

ডেলহি কেপিটেল্‌ছে চণ্ডীগড়ত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছক বিজয়ৰ বাবে ১৭৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ডেল্‌হি কেপিটেল্‌ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৯টা উইকেট হেৰুৱাই ১৭৪ ৰান সংগ্ৰহ কৰে। ডেল্‌হিৰ হৈ ছাই হোপে ৩৩ ৰান কৰাৰ

বিপৰীতে অভিষেক প'ৰেলে ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাব কিংছৰ হৈ অশদীপ সিং আৰু হৰ্ষল পেটেলে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে আমালৈ বাতৰি অহাৰ পৰলৈকে ১৬ অ'ভাৰত চাৰিটা উইকেট হেৰুৱাই ১৩৬ ৰান সংগ্ৰহ কৰি খেলি আছিল।

ইপিনে, কলকতাত কিছু সময়ৰ পাছত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ ছান ৰাইজাৰ হায়দৰাবাদৰ সন্মুখীন হ'ব। ইপিনে, কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ উদ্বোধনী খেলত যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত